**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। ইউৰোপীয় সংঘ আৰু স্পেইনৰ বৈদেশিক পৰিক্ৰমা আৰু সহযোগিতা মন্ত্ৰী জোছ মেনুৱেল আলবেয়াৰ্ছে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক আজি ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে।

২। ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিবেশনত বিশ্বই ভাৰতক গোলকীয় উদ্ভাৱনৰ মূল চালিকাশক্তি হিচাপে প্ৰশংসা কৰে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰে।

৩। গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত অনুষ্ঠিত হৈছে।

আৰু

৫। মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ এখন খেলত আজি ডেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

ইউৰোপীয় সংঘ আৰু স্পেইনৰ বৈদেশিক পৰিক্ৰমা আৰু সহযোগিতা মন্ত্ৰী জোছ মেনুৱেল আলবেয়াৰ্ছে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুক আজি ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত আৰু স্পেইনৰ মাজৰ সাংস্কৃতিক, পৰ্যটন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত থকা সহযোগিতাৰ বাবে আনন্দ প্ৰকাশ কৰে। তেওঁ কয় যে এই দ্বিপাক্ষিক সহযোগিতাই দুয়োখন দেশৰ জনসাধাৰণৰ মাজত আত্মীয়তা, কাৰিকৰী সহযোগিতা আৰু পৰ্যটনৰ ক্ষেত্ৰখনতো সহযোগিতাৰ পথ প্ৰশস্ত কৰে।

ooooooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে আজি ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চত আই বি এমৰ মুখ্য কাৰ্যবাহী বিষয়া অৰবিন্দ কৃষ্ণ আৰু মেটাৰ মুখ্য আন্তৰ্জাতিক পৰিক্ৰমা বিষয়া জুৱেল কাপ্‌লানক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বই ভাৰতক গোলকীয় উদ্ভাৱনৰ মূল চালিকাশক্তি হিচাপে প্ৰশংসা কৰে। শ্ৰীবৈষ্ণৱে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ইতিমধ্যে ৭০ বিলিয়ন ডলাৰৰ বিনিয়োগ নিশ্চিত হৈছে আৰু অহা এবছৰৰ ভিতৰত আৰু ৫০ বিলিয়ন ডলাৰ বিনিয়োগৰ সম্ভাৱনা আছে। ভাৰতত এতিয়া প্ৰায় ২ লাখ ষ্টাৰ্টআপ আছে আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত আগবাঢ়ি থকা দেশসমূহৰ ভিতৰত ভাৰত শীৰ্ষ তিনিটা স্থানৰ ভিতৰত আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। যোৱাটো দশকৰ পৰা প্ৰযুক্তিগত দিশৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়।

ooooooooo

গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এলানি বাৰ্তাত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে মণিপুৰৰ লোকসকল যথেষ্ট সংস্কৃতিবান আৰু প্ৰতিভাশালী। তেওঁ লগতে আগন্তুক প্ৰতিষ্ঠা দিৱসলৈ ৰাজ্যখনৰ উন্নয়ন আৰু প্ৰগতি কামনা কৰে। মেঘালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে গৃহমন্ত্ৰীগৰাকীয়ে কয় যে জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ এই ৰাজ্যখন শিল্প সংস্কৃতিৰ ক্ষেত্ৰতো চহকী। গৃহমন্ত্ৰী শ্বাহে ত্ৰিপুৰাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাই ৰাজ্যখনৰ উন্নয়ন আৰু বিকাশ কামনা কৰে।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়েও মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰৰ ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়,

যে ৰাজ্যকেইখন চহকী সাংস্কৃতিক ঐতিহ্য, প্ৰাণৱন্ত পৰম্পৰা আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰে সমৃদ্ধ। তেওঁ কয়, যে ৰাজ্য কেইখনৰ উদ্যমী আৰু প্ৰতিভাবান জনসাধাৰণে দেশৰ প্ৰগতিৰ অভূতপূৰ্ব বৰঙণি আগবঢ়ায় আহিছে। তেওঁ লগতে ৰাজ্যকেইখনৰ জনসাধাৰণৰ বাবে শান্তি আৰু সমৃদ্ধিৰে ভৰা ভৱিষ্যত কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয়, যে ৰাজ্য কেইখনে তেওঁলোকৰ চহকী সাংস্কৃতিক ঐতিহ্য, অনন্য পৰম্পৰা আৰু ভাষিক বিচিত্ৰতাৰে দেশৰ এনাজৰী সুদৃঢ় কৰিছে। শ্ৰী ৰাধাকৃষ্ণণে লগতে এই প্ৰাণৱন্ত ৰাজ্যকেইখনে সৰ্বাত্মক বিকাশ, সাংস্কৃতিক সমৃদ্ধি আৰু বহনক্ষম উন্নয়নেৰে আগলৈও দেশৰ প্ৰগতিত অৱদান আগবঢ়াই যাব বুলি আশা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে মেঘালয়ৰ জনসাধাৰণে দেশৰ উন্নয়নত অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে। ৰাজ্যখনৰ প্ৰাণৱন্ত সংস্কৃতি আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই সকলোকে আকৰ্ষণ কৰি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যখনে ভৱিষ্যতেও উন্নয়নৰ নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। অন্য এটা বাৰ্তাযোগে ত্ৰিপুৰাৰ জনসাধাৰণক ওলগ জনাই প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাজ্যখনৰ যাত্ৰা পৰম্পৰা আৰু আধুনিকতাৰ অপূৰ্ব সমাহাৰেৰে ভৰা। তেওঁ কয়, যে ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত ৰূপান্তৰ প্ৰত্যক্ষ কৰিছে আৰু ইয়াৰ জনসাধাৰণে দেশৰ বিকাশ যাত্ৰাত নতুন গতি প্ৰদান কৰিছে। তেওঁ লগতে অনাগত সময়ৰ ৰাজ্যখন সমৃদ্ধিৰ নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে সুকীয়া ৰাজ্য গঠন দিৱস উপলক্ষে মণিপুৰৰ জনসাধাৰণক ওলগ জনাই কয়, যে ৰাজ্যখনৰ জনসাধাৰণে দেশৰ প্ৰগতিত যথেষ্ট অৰিহণা আগবঢ়াই আহিছে। তেওঁ কয়, যে ক্ৰীড়া, সংস্কৃতি আৰু প্ৰকৃতিৰ প্ৰতি ৰাজ্যখনৰ আগ্ৰহ লেখত ল'বলগীয়া শ্ৰী মোদীয়ে লগতে আগলৈও ৰাজ্যখন উন্নয়নৰ যাত্ৰাত আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

গৃহ মন্ত্ৰী অমিত শ্বাহে আজি স্বাধীনতা সংগ্ৰামী ৰাছ বিহাৰী বসুৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে স্বাধীনতা যুঁজত গাড়াৰ বিপ্লৱৰ পৰা আজদ হিন্দ ফৌজৰ প্ৰতিষ্ঠা হোৱালৈকে ৰাছ বিহাৰী বসুৱে এক নতুন দিশৰ সূচনা কৰিছিল। শ্ৰীশ্বাহে লগতে কয় যে ইণ্ডিয়ান ইণ্ডিপেণ্ডেণ্টছ্ লীগৰ জৰিয়তে ৰাছ বিহাৰীয়ে বিদেশতো দেশৰ স্বাধীনতা আন্দোলনৰ বাবে সমৰ্থন আৰু সম্পদ সংগ্ৰহ কৰি স্বাধীনতাৰ যুঁজখন শক্তিশালীভাৱে সম্প্ৰসাৰিত কৰিছিল।

০০০০০০০০০

বি জে পিয়ে আজি তামিলনাডুৰ ডি এম কে চৰকাৰে পশ্চিম বংগৰ তথ্যপ্ৰযুক্তি বিভাগৰ মুৰব্বী তথা সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া অমিত মালভিয়াৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰ বাতিল কৰাৰ বাবে মাদ্ৰাছ উচ্চ ন্যায়ালয়ক প্ৰশংসা কৰে। বিজেপিৰ মুখপাত্ৰ শ্বেহজাদ পুনাৱালাই আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে প্ৰতিশোধৰ মানসিকতাৰে শ্ৰীমালভিয়াৰ বিৰুদ্ধে এই এজাহাৰ দাখিল কৰা হৈছিল। শ্ৰীপুনাৱালাই লগতে কয় যে এজাহাৰ বাতিল কৰাৰ সময়ত ন্যায়ালয়ে ডি এম কে চৰকাৰে মালভিয়াৰ বিৰুদ্ধে দিয়া এজাহাৰ সম্পূৰ্ণ আইনী প্ৰক্ৰিয়া অপব্যৱহাৰ। তেওঁ লগতে কয় যে শ্ৰীমালভিয়াৰ বিৰুদ্ধে ভুৱা অভিযোগ উত্থাপন কৰি ডি এম কে চৰকাৰে তেওঁক হাৰাশাস্তি কৰাৰ লগতে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ৰাজ্যিক সংস্থাসমূহৰ ব্যৱহাৰ কৰিছে।

০০০০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে বুথ পৰ্যায়ৰ বিষয়াসকলক দেশৰ নিৰ্বাচনী গণতন্ত্ৰৰ মূল ভেটি হিচাপে অভিহিত কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা সন্মিলনত ভাষণ দি শ্ৰী কুমাৰে কয়, যে ভাৰত গণতন্ত্ৰৰ মাতৃ স্বৰূপ আৰু প্ৰতিগৰাকী যোগ্য ভোটদাতাৰ অন্তৰ্ভুক্তিৰে নিৰপেক্ষ ভোটাৰ তালিকা প্ৰস্তুত কৰাটো গণতন্ত্ৰৰ সৱলীকৰণৰ বাবে অতিকে জৰুৰী।

০০০০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত অনুষ্ঠিত হৈছে। ঢকুৱাখনাত অনুষ্ঠিত প্ৰথমখন খেলত ৰাজস্থানে উত্তৰাখণ্ডক ৩-০ গলত পৰাস্ত কৰে। বিয়লিৰ ভাগত একেখন ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত পশ্চিমবংগই - নাগালেণ্ডক ৪-০ গলত পৰাস্ত কৰে। চিলাপথাৰত অনুষ্ঠিত খেলত আজি অসম -

তামিলনাডুৰ হাতত ১-০ গলত পৰাজিত হয়। চিলাপথাৰ ষ্টেডিয়ামত অনুষ্ঠিত  প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা,অসম ফুটবল সন্থাৰ সভাপতি তথা ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ দলে প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

৮ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। দেশৰ কেইবাটাও স্থানত অনুষ্ঠিত প্ৰতিযোগিতাৰ লীগপৰ্যায়ৰ বিজয়ী মুঠ ৯ টা দলৰ লগতে যোৱাবাৰৰ চেম্পিয়ন, বিজিত দল আৰু আয়োজন ৰাজ্য অসমে পোনপটীয়াকৈ মূল ৰাউণ্ডত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে। অংশগ্ৰহণকাৰী দলসমূহক ছটা-ছটাকৈ দুটা গোটত ভাগ কৰা হৈছে। পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ এখন খেলত আজি ডেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বডোডৰাৰ কোটাম্বী ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট জায়েণ্টছক ৬১ ৰানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১৭৮ ৰান কৰে। দলৰ হৈ গৌতমী নায়কে সৰ্বাধিক ৭৩ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাট জায়েণ্টছে নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ এছলে গাৰ্ডনাৰে সৰ্বাধিক ৫৪ ৰান কৰে। গৌতমী নায়কক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ ডব্লিউ পি এল প্ৰতিযোগিতা এইবেলি দুখন মহানগৰীত খেলোৱা হৈছে। নবী মুম্বাইত অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম পৰ্যায়ৰ খেলৰ সামৰণিত অংশগ্ৰহণকাৰী পাঁচোটা দলেই দ্বিতীয় পৰ্যায়ৰ বাবে সম্প্ৰতি গুজৰাটত উপস্থিত হৈছেগৈ।

০০০০০০০০০

সমাপ্ত